আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 12, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৬ Guwahati, Assam ।। মূল্যঃ এটকা

## আস্থা ভোটত জয়

# বিহাৰত নীতিশৰেই চৰকাৰ

পাটনা, ১২ ফেব্ৰুৱাৰীঃ দীৰ্ঘ জল্পনা-কল্পনাৰ অন্তত আজি বিহাৰৰ নীতিশ কুমাৰ চৰকাৰে আস্থা ভোটত জয়লাভ কৰিছে। নীতিশ কুমাৰৰ সপক্ষে শেষাংশ ২ পৃষ্ঠাত

## ভুৱা এনকাউণ্টাৰ

# আকৌ সৰৱ হ'ল অখিল

ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ ভুৱা এনকাউণ্টাৰক লৈ পুনৰ সৰৱ হৈছে শিৱসাগৰৰ বিধায়ক অখিল গগৈ। বাজেট উত্থাপনৰ দিনটোতে অখিল গগৈয়ে শেষাংশ ৩ পৃষ্ঠাত

# চাকৰি নাথাকিলে ৫ নম্বৰ

ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ নিযুক্তি পৰীক্ষাত চৰকাৰৰ তৰফৰ পৰা নম্বৰ লাভ কৰিব পৰিক্ষাৰ্থীয়ে। আজি বাজেটত এই কথা উল্লেখ কৰিছে ৰাজ্য চৰকাৰে। আজি সদনত বিত্তমন্ত্ৰী অজন্তা শেষাংশ ৩ পৃষ্ঠাত




বিধানসভাত বাজেত উত্থাপনৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ সৈতে বিত্তমন্ত্ৰী অজন্তা নেওগ

# লক্ষ্য ভোটাৰ! বিত্তমন্ত্ৰীৰ বাজেটত চাৰ্বাক দৰ্শন

## ১৮ শতাংশৰ পৰিৱৰ্তে ২০ শতাংশ ঋণৰ প্ৰস্তাৱ

ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ বিত্তমন্ত্ৰীৰ অজন্তা নেওগে আজি দাখিল কৰা বাজেটত দেখা গৈছে চাৰ্বাক দৰ্শনৰ স্পষ্ট প্ৰতিচ্ছবি ধাৰ কৰি হ'লেও ঘিউ খোৱা নীতিৰে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি বিত্তমন্ত্ৰীগৰাকীয়ে দাখিল কৰে ২০২৪-২৫ বৰ্ষৰ বাজেট মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে শাসকীয় বিজেপিয়ে বাজেটখনে অসমৰ অভূতপূৰ্ব উন্নয়ন সাধন কৰিব বুলি দাবী কৰাৰ বিপৰীতে শেষাংশ ৪ পৃষ্ঠাত

# শিক্ষা বিভাগৰ উপদেষ্টা ননীগোপাল মহন্তৰ পদত্যাগ

ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ আজিৰে পৰা আৰম্ভ হোৱা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপনৰ পাছতে পদত্যাগ কৰিছে অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ননীগোপাল মহন্তই। আজি প্ৰথম দিনটোত ইংৰাজী বিষয়ৰ পৰীক্ষা শেষাংশ ৩ পৃষ্ঠাত

# এইবাৰো ফাদিল হ'ল প্ৰশ্ন কাকত

ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ আজিৰে পৰা ৰাজ্যত অনুষ্ঠিত হৈছে উচ্চতৰ মাধ্যমিকৰ শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত নীতিশৰেই চৰকাৰ

১২৯ বিধায়কে ভোটদান কৰে। লালু প্ৰসাদ যাদৱৰ দল আৰজেডিৰ তিনি বিধায়কে ক্ৰছ ভোট কৰে। আনহাতে কংগ্ৰেছ, বাওঁ আৰু আৰজেডিৰ সদস্যসকলে সদন বহিস্কাৰ কৰে। বিহাৰৰ প্ৰধান বিৰোধী দল ৰাষ্ট্ৰীয় জনতা দল, কংগ্ৰেছ আৰু বামপন্থীদলসমূহে বিধানসভাত শাসকীয় বিজেপি আৰু জেডিইউৰ বিধায়কক নিজৰ পক্ষে অনাত সফল হ'ব নোৱাৰিলে। কিয়নো আস্থা ভোটৰ পূৰ্বে বিৰোধী দলৰ নেতা-কৰ্মীয়ে 'খেলা হৌগা' শ্ল'গান দিয়া পৰিলক্ষিত হৈছিল। বিজেপি আৰু জেডিইউ-এ আস্থা ভোটত পৰাজিত হ'ব আৰু বিজেপি আৰু জেডিইউৰ কেইবাজনো বিধায়কে আস্থা ভোটত উপস্থিত নাথাকে বুলি খুব চৰ্চা চলিছিল। কিন্তু সময়তে তেনে হোৱা দেখা নগ'ল। বিজেপি আৰু জেডিইউ-এ আস্থা ভোটত ১২৯ বিধায়কৰ সমৰ্থন লাভ কৰি শক্তি দেখুৱাই। বিধানসভাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছতে ৰাজ্যপালে ভাষণ পাঠ  কৰে। তাৰ প্ৰায় চাৰি ঘণ্টাৰ অন্তত অধ্যক্ষ অৱধ বিহাৰী চৌধুৰীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনে বিজেপি আৰু জেডিইউ-এ। অধ্যক্ষই আসন এৰি উপাধ্যক্ষক দায়িত্ব দিয়ে। তাৰ পাছতে অনুষ্ঠিত হৈছিল আস্থা ভোট। শাসনাধিষ্ঠিত এনডিএৰ সদস্যসকলৰ সৈতে বহি আছিল বিৰোধী আৰজেডিৰ বিধায়ক চেতন আনন্দ, নীলম দেৱী আৰু প্ৰহ্লাদ যাদৱ। আৰজেডি নেতা তেজস্বী যাদৱে এক অৰ্ডাৰ পইণ্ট অফ অৰ্ডাৰ উত্থাপন কৰে। অৱশ্যে, চকীত উপস্থিত থকা উপাধ্যক্ষ মহেশ্বৰ হাজাৰীয়ে পইণ্ট অফ অৰ্ডাৰৰ বিষয়ে কোনো সিদ্ধান্ত দিয়া নাছিল। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ৰাজ্যিক বিধানসভাত আস্থা ভোটত জয়ী হয় আৰু বিৰোধীয়ে ৱাকআউট কৰে। আস্থা ভোটৰ পাছতে নীতিশ কুমাৰক তীব্ৰ আক্ৰমণ কৰে আৰজেডিৰ নেতা তথা বিৰোধী দলপতি তেজস্বী যাদৱে। নীতিশ কুমাৰে তিনিটা কাৰ্যকালত ৯বাৰ মুখ্যমন্ত্ৰী ৰূপে শপত লোৱাত ধন্যবাদ জ্ঞাপন কৰে কিবা প্ৰয়োজন হ'লে সহায় কৰিব বুলি আশ্বস্ত কৰে। তেজস্বী যাদৱে কয় ভাৰত ৰত্ন সন্দৰ্ভত কয় যে কাৰ্পুৰী ঠাকুৰে ভাৰত ৰত্ন লাভ কৰিছে। এয়া অতি সুখৰ বিষয়। নীতিশ কুমাৰৰ উদ্দেশ্যে তেজস্বীয়ে কয় যে আপুনি, কাৰ্পুৰী ঠাকুৰ আৰু মোৰ পিতৃ একেলগে কাম কৰিছে। কাৰ্পুৰী ঠাকুৰে যেতিয়া সংৰক্ষণ বৃদ্ধি কৰিছিল জনসংঘৰ মানুহে কাৰ্পুৰী ঠাকুৰক মুখ্যমন্ত্ৰীৰ পদৰ পৰা আঁতৰাই দিছিল। আপুনি এই কথা জানে। আপুনি কাৰ্পুৰী ঠাকুৰৰ নাম লৈ আজি কাৰ সৈতে ক'ত বহিছে। একে বিজেপি আৰু জনসংঘই কৈছিল সংৰক্ষণ ক'ৰ পৰা আহিব? আস্থা ভোটৰ অন্তত মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কয় যে আমি আমাৰ পুৰণি ঠাইলৈ আহিছো। চিন্তা নকৰিব। আমি কাৰো ক্ষতি নকৰো। সকলোৰে হিতৰ বাবে কাম কৰিম। আস্থা ভোট সন্দৰ্ভত বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কয় যে যেতিয়া এই লোকসকল (কংগ্ৰেছ আৰু আৰজেডি) একেলগে আছিল। আমি আন সকলোকে একত্ৰিত কৰিবলৈ এখন বৈঠক অনুষ্ঠিত কৰিছিলো। মই ইমান দিন কঠোৰ পৰিশ্ৰম কৰিছিলো আৰু মই সকলোকে একত্ৰিত কৰিছিলো। কিন্তু কিবা এটা ঘটিল? কংগ্ৰেছ দলে ভয় খাইছিল। আমি বাৰে বাৰে কৈ আছিলো যে আন দলবোৰক একত্ৰিত কৰক। আমি পিছত জানিব পাৰিছিলো যে তেজস্বী যাদৱে পিতৃ কংগ্ৰেছৰ সৈতে আছিল। তেতিয়া মই জানিব পাৰিছিলো যে একো নহ'ব। তাৰ পিছত মই মোৰ পুৰণি ঠাইলৈ আহিছো। য'ত মই বহু আগতে আছিলো। শাসনকালত আৰজেডিয়ে দুৰ্নীতিত লিপ্ত থকাৰ অভিযোগ আনে নীতিশ কুমাৰে। বিহাৰত শাসনকালত ৰাষ্ট্ৰীয় জনতা দলে (আৰজেডি) দুৰ্নীতিত লিপ্ত আছিল। নতুন এনডিএ নেতৃত্বাধীন ৰাজ্য চৰকাৰে তদন্ত কৰিব। বিধানসভাত দল জনতা দল ইউনাইটেডৰ দ্বাৰা উত্থাপিত আস্থা প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি কুমাৰে লগতে দাবী কৰে যে আৰজেডিৰ কাৰ্যকালত বিহাৰত কেইবাটাও সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছিল। কোনো আইন-শৃংখলা নাছিল। আৰজেডিয়ে শাসনকালত দুৰ্নীতিত লিপ্ত হৈছিল। মই ইয়াৰ তদন্ত কৰিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰো প্ৰশ্নকাকত ফাদিল

চূড়ান্ত বৰ্ষৰ পৰীক্ষা। আজি প্ৰথম দিনটোত ইংৰাজী বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হৈ যায়। কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাত ২,৮০,২১৬ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহিছে। ছাত্ৰৰ সংখ্যা ১,৩৭,৪৮৬ আৰু ছাত্ৰীৰ সংখ্যা হৈছে ১,৪২,৭৩২। কলা শাখাত অৱতীৰ্ণ হৈছে ২,০৬,৩০৫ গৰাকী, বিজ্ঞান শাখাত ৫৩,৪৭০ গৰাকী আৰু বাণিজ্য শাখাত ১৯,৫৬২গৰাকী পৰিক্ষাৰ্থীয়ে পৰীক্ষাত বহিছে। মুঠ ৮৭৭ টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হৈছে। প্ৰতিটো পৰীক্ষা কেন্দ্ৰত চিচিটিভিৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। পৰীক্ষা চলাৰ পূৰ্বে শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। পৰীক্ষাৰ দায়িত্বত নথকা শিক্ষক আৰু কৰ্মচাৰীয়ে পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ অধীনত থাকি কৰ্ম সম্পাদন কৰিব লাগিব। ১৩ মাৰ্চত পৰীক্ষা অন্ত পৰিব। আনহাতে, আজি অনুষ্ঠিত পৰীক্ষাত প্ৰশ্ন কাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপন হৈছে। ইংৰাজী পৰীক্ষাৰ প্ৰশ্নকাকত  ভাইৰেল হোৱাৰ অভিযোগ উঠিছে। পৰ্বতঝোৰাত পৰীক্ষা আৰম্ভ হোৱাৰ ডেৰঘণ্টাৰ পাছতে প্ৰশ্নকাকত ভাইৰেল হয়। পৰ্বতঝোৰাৰ বাশবাৰী ছিনিয়ৰ ছেকেণ্ডাৰী কেন্দ্ৰত প্ৰশ্নকাকত ভাইৰেল হোৱাৰ অভিযোগ উঠিছে। মোবাইল ফোনেৰে প্ৰশ্নকাকত ফাদিল কৰিছিল বুলি অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত এজন লোকক আটক কৰিছে ৰূপসী আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিক্ষা বিভাগৰ উপদেষ্টা ননীগোপাল

অনুষ্ঠিত হৈছিল আৰু প্ৰথম দিনটোতে প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপন হৈছিল। এই ঘটনাৰ পাছতে বিভাগৰ একাডেমীক উপদেষ্টা নানী গোপাল মহন্তই পদত্যাগ পত্ৰ প্ৰদান কৰিছে ৰাজ্য চৰকাৰক। এই পদবীৰ বাবে ননীগোপাল মহন্তই কেবিনেট মৰ্য্যদা লাভ কৰি আছিল। এই পদবীৰ ফলতে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছিল মহন্তই। ডঃ হিমন্ত বিশ্ব শৰ্মাই ২০২১ চনত মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ পাছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক নানী গোপাল মহন্তক শিক্ষা বিভাগৰ উপদেষ্টা নিযুক্তি দিয়া হৈছিল। মহন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক। জানিব পৰা মতে, একপ্ৰকাৰ সক্ৰিয় ৰাজনীতিত জড়িত হৈ পৰাৰ দৰেই হৈছিল মহন্তৰ। কিন্তু হঠাতে পুনৰ বিশ্ববিদ্যালয়ৰ শ্ৰেণীকোঠালৈ উভতি যাব তেওঁ। উল্লেখ্য যে, আজি পৰ্বতঝোৰাত পৰীক্ষা আৰম্ভ হোৱাৰ ডেৰঘণ্টাৰ পাছতে প্ৰশ্নকাকত ভাইৰেল হৈছিল। পৰ্বতঝোৰাৰ বাশবাৰী ছিনিয়ৰ ছেকেণ্ডাৰী কেন্দ্ৰত প্ৰশ্নকাকত ভাইৰেল হোৱাৰ অভিযোগ উঠিছে। মোবাইল ফোনেৰে প্ৰশ্নকাকত ফাদিল কৰিছিল বুলি অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত এজন লোকক আটক কৰিছে ৰূপসী আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ সৰৱ হ'ল অখিল

ভুৱা এনকাউণ্টাৰক লৈ হিমন্ত বিশ্ব শৰ্মা চৰকাৰক আক্ৰমণ কৰে। ভুৱা এনকাউণ্টাৰক গণতন্ত্ৰ আৰু সংবিধান হত্যাকাৰী আখ্যা দিয়াৰ লগতে অবৈধ কাৰ্যকলাপ বুলি অভিহিত কৰে। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত ভুৱা সংঘৰ্ষত মৃত্যু হোৱা লোকৰ সংখ্যাক লৈ আপত্তি দৰ্শাই। ৰাজ্য চৰকাৰৰ তথ্য অনুসৰি এনকাউণ্টাৰত ৩৬ জন লোক নিহত হৈছে। অৱশ্যে, আৰক্ষীৰ ৰেকৰ্ডত ৫৬ জন লোকৰ মৃত্যু হোৱা বুলি কোৱা হৈছে। বিজেপি শাসনলৈ অহাৰ পিছৰে পৰা বৰ্ধিত সংখ্যক এনকাউণ্টাৰ, ভুৱা এনকাউণ্টাৰ আৰু আৰক্ষীৰ জিম্মাত মৃত্যুক লৈ উদ্বেগ ব্যক্ত কৰি অখিল গগৈয়ে সদনৰ মজিয়াত এই বিষয়টোক লৈ প্ৰশ্ন কৰিছিল। আজি অখিল গগৈয়ে সদনৰ বাহিৰত মিডিয়াৰ সন্মুখত কয় যে মই এই বিষয়টো নিৰন্তৰ উত্থাপন কৰি আহিছো। এই কাণ্ড গণতন্ত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ ত্ৰুটি। এনকাউণ্টাৰসমূহ গণতন্ত্ৰ ধ্বংসৰ প্ৰতীক আৰু অবৈধ কাৰ্যকলাপৰ অধীনত পৰে। ২০২১ চনৰ ১০ মে'ৰ পৰা এনকাউণ্টাত মুঠ কিমান লোকৰ মৃত্যু হৈছিল সেই কথা জানিব খুজিছিল অখিল গগৈয়ে। উত্তৰত সন্তুষ্ট নহয় অখিল। ৩৬ জন লোকৰ মৃত্যু হোৱা বুলি কোৱা হৈছে। অখিল গগৈৰ মতে, ন্যায়িক বহিৰ্ভূত কাণ্ডত ৮৩ জন লোক নিহত হৈছে। অসম আৰক্ষীয়ে ৫৬ জন লোকৰ মৃত্যু হোৱা বুলি দাবী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাকৰি নাথাকিলে ৫ নম্বৰ

নেওগে দাখিল কৰা বাজেটত এই কথাৰ প্ৰস্তাৱ ৰখা হৈছে। চৰকাৰী চাকৰিৰ বাবে নিযুক্তি পৰীক্ষাত বহা পৰীক্ষাৰ্থীয়ে এতিয়াৰ পৰা ৫ নম্বৰ লাভ কৰিব। এই ক্ষেত্ৰত চৰকাৰে ৰাখিছে এক চৰ্ত। পৰীক্ষাৰ্থীজনৰ পৰিয়ালত এজনো লোকৰ চাকৰি থাকিব নালাগিব। নিযুক্তিত সামাজিক সমতা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰি ৰাজ্য চৰকাৰে চাকৰিবিহীন পৰিয়ালক চাকৰি লাভৰ সুযোগ দিয়াৰ ব্যৱস্থা কৰিব খুজিছে। বাজেটত উল্লেখ কৰা মতে, নিযুক্তি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ সময়তে চৰকাৰে সামাজিক সমতা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। যিসমূহ পৰিয়ালত চৰকাৰী বা ৰাজহুৱা খণ্ডত এজনো চাকৰিয়াল নাই, তেওঁলোকক সুবিধা দিয়াৰ অৰ্থে সিদ্ধান্ত লোৱা হৈছে। এতিয়াৰে পৰা ঘৰত চৰকাৰী চাকৰিয়াল নথকা প্ৰাৰ্থীয়ে মুঠ প্ৰাপ্ত নম্বৰৰ সৈতে ৫ শতাংশ অতিৰিক্ত নম্বৰ লাভ কৰিব। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ সকলো পদৰ নিয়োগ প্ৰক্ৰিয়াত প্ৰাৰ্থী বাছনিৰ গুণগত মানৰ সৈতে আপোচ নকৰাকৈ এই ব্যৱস্থা কাৰ্যকৰী হ'ব।

# ক্ষুদ্ৰ চাহ খেতিয়কক মাথোঁ ১৫ কোটি

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ ৰাজ্যৰ বৃহৎ চাহ উদ্যোগৰ বাবে ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে সুখবৰ কঢ়িয়াই আনিছে। বৃহৎ চাহ উদ্যোগক বৃহৎ সকাহ প্ৰদান কৰিছে ৰাজ্য চৰকাৰে। আজি সদনত বিত্তমন্ত্ৰী অজন্তা নেওগে দাখিল কৰা বাজেট অনুসৰি বৃহৎ চাহ উদ্যোগক তিনিবছৰৰ বাবে সকাহ দিয়া হ'ব। বৃহৎ চাহ উদ্যোগক চৰকাৰে পুনৰ তিনি বছৰৰ আয়কৰ ৰেহাই দিব। অকল আয়কৰে নহয়, তিনি বছৰৰ বাবে বিদ্যুৎ মাচুল ৰেহাই দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। ইপিনে বিত্তমন্ত্ৰী অজন্তা নেওগে ক্ষুদ্ৰ চাহ খেতিয়কৰ উৎকৰ্ষ সাধনৰ বাবে মাত্ৰ ১৫ কোটি টকা নিৰ্ধাৰণ কৰা বুলি উল্লেখ কৰিছে। বাজেটত প্ৰতি বছৰে ক্ষুদ্ৰ চাহ খেতিয়কক সকাহ দিয়াৰ কথা ঘোষণা কৰা হয় যদিও সেয়া পৰৱৰ্তী সময়ত ফুটুকাৰ ফেনত পৰিণত হয়। ক্ষুদ্ৰ চাহ খেতিয়কে এতিয়ালৈকে মাটিৰ ম্যাদী পট্টাও লাভ কৰিবলৈ সক্ষম হোৱা নাই।**

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিত্তমন্ত্ৰীৰ বাজেটত চাৰ্বাক দৰ্শন

বিৰোধীয়ে ইয়াক ভোটৰ লালসাৰে প্ৰস্তুত কৰা বুলি মন্তব্য কৰিছে। উল্লেখ্য যে আজি দাখিল কৰা বাজেটতো ৰাজ্যৰ শোচনীয় বিত্তীয় অৱস্থাৰ প্ৰকৃত স্বৰূপ উদং হৈ পৰিছে। ৭৭৬.৪৭ কোটি টকাৰ এই ঘাটি বাজেটখনত মূলধনী শিতানত ব্যয় কম। মাত্ৰ ৩১,৬৬১ কোটি টকাহে মূলধনী শিতানত ব্যয় কৰি উন্নয়নমূলক কাম-কাজ কৰিবলৈ বিচাৰিছে। ইয়াৰ বিপৰীতে ১ লাখ ১১ হাজাৰ ৯৪৩ কোটি টকাহে ৰাজহ শিতানৰ। অৰ্থাৎ এই বৃহৎ পৰিমাণৰ ধনেৰে হিতাধিকাৰীসকলক অনুদান দিয়া, দৰমহা, পেঞ্চনত ব্যয় কৰা কামত ব্যৱহাৰ হ'ব। লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া অসমলৈ আহোতে যিসমূহ আঁচনিৰ কথা ঘোষণা কৰা হৈছিল সেই আঁচনিসমূহ ৰাজ্যিক বাজেটতো উল্লেখ কৰা হৈছে। অৰ্থাৎ প্ৰধানমন্ত্ৰীয়ে কোনো বিশেষ পেকেজ তেওঁৰ ভ্ৰমণকালত অসমলৈ আগ নবঢ়ালে। গুৰুত্বপূৰ্ণ বিষয়টো হৈছে, ধাৰৰ পৰিমাণ চৰকাৰে আগতকৈ বৃদ্ধি কৰিছে আৰু পূৰ্বৰ ১৮ শতাংশৰ পৰিৱৰ্তে এইবাৰ ২০ শতাংশ ঋণ লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছে। সেই হিচাপেত ঋণৰ পৰিমাণ পূৰ্বৰ ২৫ হাজাৰ কোটি টকাৰ পৰা বৃদ্ধি হৈ ২৯ হাজাৰ কোটি টকা হ'বগৈ। ৰাজ্য চৰকাৰখনে নিজৰ ৰাজহৰ পৰা ২৩.৭৮ শতাংশ পুঁজি আহৰণ কৰাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২৭.৮৫ শতাংশ কৰ আশা কৰিছে। ১৬.১৫ শতাংশ অনুদান হিচাপে আশা কৰিছে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰা। ৩.৩৫ শতাংশ আশা কৰিছে বিত্তীয় আয়োগৰ পৰা। ১.৫৫ শতাংশ আগধন আৰু ঋণ গ্ৰহণ কৰাৰ প্ৰস্তাৱ দাঙি ধৰাৰ বিপৰীতে ৰাজহুৱা খণ্ডৰ পৰা ঋণ ল'ব ২০.৫০ শতাংশ। অৰ্থাৎ চৰকাৰখনে শেহতীয়াকৈ দাখিল কৰা বাজেটখনত উন্নয়নৰ গৰিমাৰ কোনো উদাহৰণ নাই। কেন্দ্ৰীয় চৰকাৰৰ ওচৰা-ওচৰিকৈ প্ৰায় ৬ শতাংশ ঘৰুৱা উৎপাদন বৃদ্ধি পাব বুলি আশা কৰিছে যদিও শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্যমতে অসমৰ জনমূৰি আয় অন্য ৰাজ্যৰ তুলনাত অতি নিম্নমানৰ। সমগ্ৰ দেশত বিনিয়োগৰ পৰিমাণ কমিছে আৰু বিগত ১৬ বছৰত এফডিআইৰ অংশগ্ৰহণ অভিলেখসংখ্যক নিম্নগামী হৈছে। সমগ্ৰ দেশত এতিয়ালৈকে ৩৬ হাজাৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ বন্ধ হৈছে। শিক্ষা শিতানত দেশত ২.৭ শতাংশ ব্যয় কমিছে। নিবনুৱাৰ সমস্যা বাঢ়িছে আৰু উদ্যোগত সংস্থাপনৰ পৰিমাণ কমি গৈছে। যাৰ বাবে দেশত কৃষি কাৰ্যত নিয়োগ বৃদ্ধি পাইছে। ইয়াৰ লগে লগে কৃষকৰ সমস্যা দুগুণ হৈ পৰিছে। তাৎপৰ্যপূৰ্ণভাৱে ক্ৰয় ক্ষমতা সমগ্ৰ দেশত ৩ শতাংশলৈ হ্ৰাস পাইছে। অৰ্থাৎ ৰাইজে নিজৰ ঘৰুৱা বাজেট কমাবলৈ বাধ্য হৈছে। বাজেট দাখিলৰ পিছতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় এই বাজেটে জনতাক হতাশ কৰিছে বুলি অভিযোগ উত্থাপন কৰি ৰাজ্য চৰকাৰক আক্ৰমণ কৰে। ঋণত পোত গৈ থকা ৰাজ্যখনত এইখন বাজেটে অৰ্থনৈতিক বৈষম্যতাৰ সৃষ্টি কৰিব। মূলধনী শিতানত ব্যয় কমাই নিৰ্বাচনৰ পূৰ্বে হিতাধিকাৰী সৃষ্টিৰ বাবে চৰকাৰে অধিক গুৰুত্ব দিছে। বিধ্বস্ত অৰ্থনীতিত ভৰ দি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ চেষ্টা চলাইছে চৰকাৰে। এখন উৎপাদনশীল বাজেটৰ পৰিৱৰ্তে এয়া পুৰণি কথাৰহে চৰ্বিতচৰ্বন বুলিও কয় লুৰীণে। ইপিনে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়েও বাজেটক তীব্ৰ সমালোচনা কৰে। পূৰ্বে মুখ্যমন্ত্ৰীয়ে কৈ থকা কথাবোৰকে বাজেটত উল্লেখ কৰা বুলি কয় অখিল গগৈয়ে।

# ১০ লাখ ছাত্ৰীক নামভৰ্তিৰ বাবে ধন, ৩০ লাখ হ'ব অৰুণোদয় আঁচনিৰ হিতাধিকাৰী

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** আজি বিধানসভাত উত্থাপন কৰা বাজেটত ৰাজ্য চৰকাৰে শিক্ষাৰ্থীৰ বাবে বিশেষ ঘোষণা কৰিছে। বাজেটত মইনা নামৰ আঁচনি কাৰ্যকৰী কৰাৰ ঘোষণা কৰা হৈছে। এই আঁচনি যোগে শিক্ষাৰ্থীক লাভান্বিত কৰা হ'ব। মুখ্যমন্ত্ৰীৰ মইনা আঁচনিৰ অধীনত ১০ লাখ ছাত্ৰীক নামভৰ্তিত উদগনি হিচাপে বিত্তীয় অনুদান আগবঢ়োৱাৰ কথা উল্লেখ কৰা হৈছে। একাদশ শ্ৰেণীত নামভৰ্তি কৰিবলৈ ১০ হাজাৰ টকা, স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে ১২,৫০০ টকা আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে প্ৰতিগৰাকী ছাত্ৰীয়ে ১৫ হাজাৰ টকাকৈ উদগনিমূলক ধন লাভ কৰিব। এই ধন দিয়াৰ পাছতো বিনামূলীয়া নামভৰ্তি, স্কুটি প্ৰদান আঁচনি অব্যাহত ৰাখিব চৰকাৰে। বাজেটত ২৪০ কোটি টকা ধাৰ্য কৰা হৈছে। উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতোকোত্তৰ পৰ্যায়লৈ অধ্যয়ন অব্যাহত ৰাখিব পাৰে, তাৰ বাবে এককালীন সাহায্য প্ৰদান কৰা হ'ব। চৰকাৰী মহাবিদ্যালয়, শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰীসকলে এই সুবিধা লাভ কৰিব। বিবাহিত কন্যাসকল এই আঁচনিৰ বাবে যোগ্য নহ'ব। আনহাতে, বাজেটত অৰুণোদয় আঁচনিক লৈ ৰাজ্য চৰকাৰে ডাঙৰ ঘোষণা কৰিছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। ২৭ লাখ হিতাধিকাৰীক সামৰি লোৱা আঁচনিখনৰ পৰিসৰ বৃদ্ধি কৰিব চৰকাৰে। বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত দাখিল কৰা বাজটত অৰুণোদয় ২.০ত ৰাজ্যখনৰ অন্ত্যোদয়া মহিলাৰ লগতে তৃতীয় লিংগ আৰু দিব্যাংগসকলোকে সাঙুৰি লোৱাৰ ঘোষণা কৰিছে। চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেম'ফিলিয়া, কুষ্ঠ বা অ'টিজিম স্পেকট্ৰাম ডিজ অৰ্ডাৰত ভুগি থকা লোকৰ পৰিয়ালকো সামৰি ল'ব। আঁচনিৰ অধীনত চলিত বৰ্ষত ২.৫ লাখ অতিৰিক্ত হিতাধিকাৰীক সামৰি ল'ব। সৰ্বমুঠ ৩০ লাখৰো অধিক পৰিয়ালে অৰুণোদয় আঁচনি লাভ কৰিব। হিতাধিকাৰীসকলে প্ৰতি মাহৰ ১০ তাৰিখে ১,২৫০ টকাকৈ বেংক একাউণ্ট যোগে ধন লাভ কৰি আহিছে।

## চন্দ্ৰবাবু নাইডুৰ পুত্ৰ নৰা লোকেশেৰ বিস্ফোৰণ

# ক্ষমতাৰ বাবে নিজৰ খুৰাকক হত্যা কৰিছিল জগত মোহন ৰেড্ডীয়ে!

**নতুন দিল্লী, ১২ফেব্ৰুৱাৰীঃ** ক্ষমতাৰ লালসাত নিজৰে খুৰাককে হত্যা কৰিছিল অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীয়ে। লোকসভা নিৰ্বাচনলৈ মাজত আৰু মাত্ৰ কেইটামান দিন বাকী থকা সময়তে ৱাই এছ আৰ কংগ্ৰেছৰ মুৰব্বী তথা অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীৰ বিৰুদ্ধে প্ৰত্যক্ষ হত্যাৰ এই বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে তেলেগু দেশম পাৰ্টীৰ নেতা তথা চন্দ্ৰবাবু নাইডুৰ পুত্ৰ নৰা লোকেশে। এক ৰাজহুৱা সভাত প্ৰদান কৰা ভাষণৰ সময়ত নৰা লোকেশে লগতে দাবী কৰে যে ৰাজনৈতিক প্ৰতিশোধৰ বাবেই তেওঁৰ পিতৃ চন্দ্ৰবাবু নাইডুক ৫৩ দিন কাৰাবাসত আৱদ্ধ কৰি ৰাখিছিল অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। শ্ৰীকুলাম জিলাত অনুষ্ঠিত ৰাজহুৱা সভাত চন্দ্ৰবাবুৰ পুত্ৰ নৰা লোকেশে প্ৰত্যক্ষ হত্যাৰবিস্ফোৰক অভিযোগ তুলি কয় যে জগন মোহন ৰেড্ডীয়েই তেওঁৰ খুৰাক তথা প্ৰাক্তন মন্ত্ৰী ৱাই এছ বিবেকানন্দ ৰেড্ডীক পৰিকল্পিতভাৱে হত্যা কৰিছিল। প্ৰসংগক্ৰমে ২০১৯ৰ মাৰ্চ মাহত অন্ধ্ৰপ্ৰদেশৰ কডপ্পা জিলাৰ নিজ বাসগৃহত ৰহস্যজনক পৰিস্থিতিত উদ্ধাৰ হৈছিল ৱাই এছ বিবেকানন্দ ৰেড্ডীৰ মৃতদেহ। সেই সময়ত তেওঁক হত্যা কৰাৰো অভিযোগ উত্থাপন হৈছিল। অৱশ্যে চন্দ্ৰবাবুৰ পুত্ৰ নৰা লোকেশৰ অভিযোগ সন্দৰ্ভত এতিয়াও কোনো ধৰণৰ মন্তব্য কৰা নাই জগন মোহন ৰেড্ডী নাইবা ৱাই এছ আৰ কংগ্ৰেছ দলে। উল্লেখ্য যে, লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে এই বছৰতে অনুষ্ঠিত হ'ব অন্ধ্ৰপ্ৰদেশৰ বিধানসভা নিৰ্বাচনো। ৰাজ্যখনত ইতিমধ্যে নিৰ্বাচনী বতাহ তীব্ৰতৰ হৈ পৰা পৰিলক্ষিত হৈছে।

প্ৰয়াত মুখ্যমন্ত্ৰী ৱাই এছ ৰাজশেখৰ ৰেড্ডীৰ কন্যা তথা জগন মোহন ৰেড্ডীৰ ভগ্নী শৰ্মিলাই ইতিমধ্যে কংগ্ৰেছত চামিল হৈ লাভ কৰিছে দলটোৰ ৰাজ্যিক সাংগঠনিক মুৰব্বীৰ দায়িত্ব। এনে পৰিপ্ৰেক্ষিতত ইয়ে আগন্তুক দুয়োটা নিৰ্বাচনত ৱাই এছ আৰ কংগ্ৰেছৰ ভোটবেংকত প্ৰভাৱ পেলোৱাৰ আশংকা কৰা হৈছে। ইফালে শেহতীয়াকৈ চন্দ্ৰমোহন ৰেড্ডীৰ দিল্লী ভ্ৰমণেও তেওঁৰ দলৰ এন ডি এত চামিল হোৱাৰ জল্পনা-কল্পনা বৃদ্ধি কৰিছে। কিন্তু তাৰ মাজতে যোৱা শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীয়েও। অৱশ্যে অন্ধ্ৰৰ মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ ৰাজ্যৰ বাবে 'বিশেষ মৰ্যাদা' বিচাৰি প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰা বুলি মন্তব্য কৰে।

# জনজাতীয় এজন যুৱকক আঠু কঢ়াই অত্যাচাৰ বজৰং দলৰ সমৰ্থকৰ

**ভুপাল, ১২ফেব্ৰুৱাৰীঃ** এফালে প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মুখত জনজাতীয় লোকৰ সুৰক্ষা আৰু সন্মানৰ বচন, আনফালে বিজেপিৰ হিন্দুত্ববাদী ভাতৃ সংগঠন বজৰংগ দলৰ সমৰ্থকৰে আক্ৰমণৰ বলি হ'ল এজন জনজাতীয় যুৱক। মধ্যপ্ৰদেশৰ বেতুল জিলাত সংঘটিত এই আক্ৰমণৰ ঘটনাৰ এটা ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। ভিডিঅ'টোত এজন লোকে এজন যুৱকক নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ উপৰিও কাণত ধৰাই আঁঠু কাঢ়িবলৈ বাধ্য কৰোৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে চিনাক্ত কৰা হৈছে অভিযুক্ত আৰু ভুক্তভোগীক। অভিযুক্তজনক বজৰং দলৰ সদস্য চঞ্চল ৰাজপুত বুলি চিনাক্ত কৰাৰ বিপৰীতে ভুক্তভোগী যুৱকজনৰ নাম হৈছে ৰাজু উকে। জানিব পৰা মতে, এটা চাউণ্ড চিষ্টেমৰ মালিকৰ হৈ কাম কৰে ৰাজু উকে নামৰ জনজাতীয় যুৱকজনে। আনহাতে সেই চাউণ্ড চিষ্টেমৰ মালিক গোলু চিত্ৰহাৰৰ সৈতে বিগত কেইবাদিনো ধৰি বিবাদ চলি আছিল চঞ্চল ৰাজপুতৰ। ইয়াৰ বাবে অভিযুক্তজনে মালিকৰ বিষয়ে সুধি ৰাজু উকেৰ ওপৰত শাৰীৰিক আক্ৰমণ চলায়। ঘটনাৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কংগ্ৰেছে। মধ্যপ্ৰদেশ কংগ্ৰেছৰ সভাপতি জিতু পাটোৱাৰীয়ে এই ঘটনাক তীব্ৰ ভাষাৰে নিন্দা কৰে। তেওঁ কয় যে এফালে নৰেন্দ্ৰ মোডীৰ ভাষণত জনজাতিৰ সম্পৰ্কে মিছা কথা কোৱা হয়! অন্যহাতে বেতুলত জনজাতীয় ভাতৃ ৰাজ উকেক অত্যাচাৰ চলায় বজৰং দলৰ সমৰ্থকে!

# মাদ্ৰাছা-মছজিদ উচ্ছেদক লৈ উত্তৰাখণ্ডত উত্তপ্ত পৰিস্থিতি

## পৰিস্থিতিলৈ লক্ষ্য ৰাখি সান্ধ্য আইন আৰু ১৪৪ধাৰা জাৰি প্ৰশাসনৰ

**ডেৰাডুন, ১২ফেব্ৰুৱাৰীঃ** চৰকাৰী ভূমিত নিৰ্মাণ কৰা মাদ্ৰাছা আৰু মছজিদ উচ্ছেদৰ বাবে প্ৰশাসনে চলোৱা অভিযানক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় উত্তৰাখণ্ডৰ হালদ্বাণীত। জিলাখনৰ বনভুলপুৰা নামৰ এক অঞ্চলত অবৈধভাৱে নিৰ্মাণ কৰা মাদ্ৰাছা আৰু মছজিদত উচ্ছেদ চলাবলৈ যাওতেই আৰক্ষী বাহিনীৰ ওপৰত আক্ৰমণ চলায় স্থানীয় লোকে। ঘৰৰ চাদৰ ওপৰৰ পৰা আৰক্ষীলৈ বুলি কৰা শিলগুটি আক্ৰমণত আহত হয় কেইবাজনো আৰক্ষী বিষয়া। ইফালে এই ঘটনাৰ পিছতে কেইবাটাও অঞ্চলত সান্ধ্য আইন আৰু ১৪৪ ধাৰা জাৰি কৰে প্ৰশাসনে। ঘটনাৰ পিছতে অঞ্চলটোত বিশেষ সতৰ্কবাণী জাৰি কৰি অভিযুক্তৰ সন্ধানত তালাচী চলায় আৰক্ষীয়ে। এই ঘটনাৰ সৈতে জড়িত মাষ্টাৰ মাইণ্ডক দিল্লীৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। ইফালে শনিবাৰৰ পৰা সামান্য শিথিল কৰা হৈছে সতৰ্কবাণী। কিন্তু এতিয়াও অঞ্চলটোত অব্যাহত আছে আতংক। আৰক্ষীয়ে দাবী কৰা মতে, শিলগুটি নিক্ষেপত জড়িত বুলি অভিযোগ উত্থাপন হোৱা অধিকাংশই অঞ্চলটো এৰি আন ঠাইলৈ পলায়ন কৰিছে। যাৰ বাবে বনভুলপুৰা অঞ্চলৰ ৩০০ৰো অধিক ঘৰৰ দুৱাৰত এতিয়া ওলমি ৰৈছে কেৱল তলা। বৃহস্পতিবাৰে সন্ধিয়া অঞ্চলটোত সান্ধ্য আইন জাৰি কৰাৰ পিছতে লোকসকলক ঘৰৰ পৰা ওলোৱাত বাধা প্ৰদান কৰা হয়। অভিযোগ অনুসৰি, ইয়াৰ পিছতো বহু লোকে ঘৰৰ পৰা পলায়ন কৰিছে। বহু লোকে ঘৰত তলা নলগোৱাকৈ ৰাতিটোৰ ভিতৰতে অঞ্চলটো এৰি আন ঠাইত আশ্ৰয় লৈছে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, অঞ্চলটোৰ বহু লোকে পৰিয়ালসহ পলায়ন কৰিছে। আনহাতে হালদ্বাণী হিংসাৰ সৈতে জড়িত বহু ব্যক্তিও বৰ্তমান পলাতক হৈ আছে আৰু অভিযুক্তসকললক চিনাক্ত আৰু কৰায়ত্তৰ বাবে বেলেগ বেলেগ জিলালৈ আৰক্ষী বিষয়াক প্ৰেৰণ কৰা হৈছে। একে সময়তে ঘটনাৰ পিছত আত্মগোপন কৰি থকা অভিযুক্তক বিচাৰি উলিয়াবলৈ কেন্দ্ৰীয় বাহিনীৰ উপস্থিতিত ব্যাপক তালাচী অভিযান অব্যাহত আছে। প্ৰশাসনৰ উচ্ছেদক লৈ সৃষ্টি হোৱা অশান্ত পৰিস্থিতিৰ পিছত হিংসা বিয়পি পৰাৰ আংশকাত অঞ্চল এৰি আন ঠাইলৈ ঢাপলি মেলিছে বহু লোকে। বনভুলপুৰাৰ মাষ্টাৰ গাৰ্ডেন, ইন্দিৰা নগৰ, ছোটা লাইন, বাডি লাইনকে ধৰি বহু অঞ্চলৰ লোকে ঘৰত তলা লগাই আন ঠাইলৈ গুচি গৈছে। উল্লেখ্য যে, বৃহস্পতিবাৰে সন্ধিয়া মাদ্ৰাছাত উচ্ছেদ চলোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি হয়। স্থানীয় ৰাইজে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ ওপৰত শিলগুটি নিক্ষেপ কৰিবলৈ আৰম্ভ কৰে। অন্যহাতে বনভুলপুৰা আৰক্ষী থানাত অগ্নিসংযোগ কৰিবলৈও চেষ্টা চলায় একাংশ আক্ৰমণকাৰীয়ে। অৱশ্যে এক বৃহৎ আৰক্ষী বাহিনীয়ে উত্তেজিত ৰাইজক নিয়ন্ত্ৰণ কৰি থানাত প্ৰৱেশ কৰাত বাধা আৰোপ কৰে। ইয়াৰ পিছতে বনভুলপুৰাৰ সমীপৰ গান্ধী নগৰ অঞ্চলত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। কোনবোৰ ঘৰৰ চাদৰ পৰা শিলগুটি নিক্ষেপ কৰা হৈছিল সেই ঘৰবোৰ চিনাক্ত কৰিবলৈ আৰক্ষীয়ে চেষ্টা চলাইছে। তাৰ মাজতে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে কয় যে য'ত হালদ্বাণীৰ অবৈধ বেদখল আঁতৰোৱা হৈছে তাত এখন থানা নিৰ্মাণ কৰা হ'ব।





## ঘৰৰ পৰা পথলৈ ওলাবলৈ ভয় স্থানীয় ৰাইজৰ

# শুৱালকুছি-শিঙিমাৰী পথত খনন মাফিয়াৰ ডাম্পাৰৰ তাণ্ডৱ




**ই-সংবাদ, শুৱালকুছি, ১২ ফেব্ৰুৱাৰীঃ** খনন মাফিয়াৰ তাণ্ডৱত ঘৰৰ পৰা ওলাব নোৱাৰা হৈছে কেইবা হাজাৰ নাগৰিক। কামৰূপ জিলাৰ শুৱালকুছি-শিঙিমাৰী পথৰ দাঁতিৰ কেইবাখনো গাঁৱৰ লোকে ধূলিৰ বাবে ত্ৰাহি মধুসূদন সুঁৱৰিব লগা হৈছে। কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত আজ্ঞাঠুৰি, দলিবাৰী, শিঙিমাৰী, নিজ গন্ধমৌ, শুৱালকুছি আদি অঞ্চলৰ ধূলিময় পৰিৱেশে বহু লোকক ৰোগীয়া কৰিছে। ছাত্ৰ-ছাত্ৰী, চাকৰিয়াল, ব্যৱসায়ী, কৃষক ঘৰৰ পৰা ওলাব নোৱাৰা হৈছে। ব্ৰহ্মপুত্ৰৰ বুকুত পলসুৱা বালিৰ অবৈধ খনন অব্যাহত থকাত শুৱালকুছি-শিঙিমাৰী পথ বালিময় হৈ পৰিছে। পথটোত দিনে-নিশাই বালি ভৰ্তি ডাম্পাৰ আহ-যাহ কৰি থকাত ডাম্পাৰৰ পৰা সৰি পৰি বালিয়ে সমগ্ৰ পথটো বালিময় হৈ পৰিছে। ২৪ ঘণ্টাই ব্যস্ত পথটোত গাড়ী চলাচলৰ ফলত ধূলিময় হৈ পৰিছে সমগ্ৰ এলেকা। ধূলিৰ প্ৰকোপত নাগৰিকে ঘৰৰ পৰা ওলাবলৈ ভয় কৰা হৈছে। জানিব পৰা মতে, ৰাজনৈতিক দলৰ নেতা আৰু প্ৰশাসনৰ ছত্ৰছায়াত ব্ৰহ্মপুত্ৰত অবৈধভাবে খনন চলি আছে। খনন মাফিয়াই পৰিবহণ বিভাগ, আৰক্ষী, প্ৰশাসন, বন বিভাগক মেনেজ কৰি শুৱালকুছি-শিঙিমাৰী-গুৱাহাটী সংযোগী পথেৰে বালি কঢ়িয়াই আছে। ডাম্পাৰৰ পৰা পথত পৰা বালিৰ ফলত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে। ব্ৰহ্মপুত্ৰৰ পৰা দৈনিক শ-শ বালি ভৰ্তি ডাম্পাৰ চলাচলৰ ফলত শিঙিমাৰী-শুৱালকুছি সংযোগী পথ ধূলিময় হৈ পৰাত বিশেষকৈ ছাত্ৰ-ছাত্ৰীয়ে যমৰ যাতনা ভোগ কৰিব লগাহৈছে। অঞ্চলটোৰ বাট পথকে ধৰি ৰাইজৰ ঘৰ পৰ্যন্ত ধূলিময় হৈ পৰাত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। ডাম্পাৰৰ খুন্দাত অঞ্চলটোত মানুহৰ মৃত্যু হোৱাৰ লগতে গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে বহুজন। স্থানীয় দল-সংগঠনে কামৰূপ জিলা প্ৰশাসন, হাজো ৰাজহ চক্ৰ বিষয়া, স্থানীয় আৰক্ষী-প্ৰশাসন, বন বিভাগক অভিযোগ দি আহিছে যদিও ভ্ৰূক্ষেপ নাই সংশ্লিষ্ট কৰ্তৃপক্ষৰ। দেখি শুনিও প্ৰশাসন মৌন হৈ থকাত উঠিৰজা বহিৰজাত পৰিণত হৈছে খনন মাফিয়া। বিশেষকৈ বিদ্যালয়লৈ অহা যোৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে ভয় শংকাৰ মাজেৰে পথ পাৰ হ'বলগীয়া হয়। বৃহত্তৰ অঞ্চলৰ সৰ্বসাধাৰণৰ জীৱন এতিয়া বিপদাপন্ন হৈছে।

শেষ পৃষ্ঠা

# বিহাৰ পৰাস্ত, জয়ী অসম

**গুৱাহাটী, ১২ ফেব্ৰুৱাৰীঃ** ৰঞ্জি ট্ৰফিৰ চলিত চিজনত প্ৰথমটো জয় লাভ কৰিছে অসমে। বিহাৰৰ বিৰুদ্ধে ইয়াৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলা ষষ্ঠ লেগৰ মেছৰ অন্তিম দিনা অসমৰ দ্বিতীয় ইনিংছত জয়ৰ বাবে ৯৫ ৰানৰ প্ৰয়োজন হয়। ঘৰুৱা দলটোৱে সেই লক্ষ্য অনুসৰণ কৰি ১৪.২ অভাৰত মাত্ৰ এটা উইকেট হেৰুৱা ১০০ ৰান সংগ্ৰহ কৰে। এইদৰে ন উইকেটত জয়লাভ কৰে অসমে। প্ৰাৰম্ভিক বেটাৰ পাৰভেজ মুছাৰফে ৫২ ৰানত অপৰাজিত হৈ থাকে। ডানিচ দাসেও অপৰাজিতভাৱে ২২ ৰানৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে বিহাৰে ১২১ অভাৰত ২৯২ ৰান কৰি নিজৰ দ্বিতীয় ইনিংছ সামৰে। পিয়ুষ সিঙে ১০৩ ৰান কৰে। অসমৰ হৈ ৰাহুল সিঙে দখল কৰে পাঁচটা উইকেট। অসমৰ প্ৰথম ইনিংছৰ ৪০৫ ৰানৰ উত্তৰত বিহাৰে ২০৭ ৰানত প্ৰথম ইনিংছ সামৰি ফলো-অনৰ সন্মুখীন হৈছিল। দ্বিতীয় ইনিংছতো ব্যৰ্থ হোৱা বিহাৰে অসমৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰিব নোৱাৰিলে। মাত্ৰ ৯৫ ৰানৰ লক্ষ্য অনুসৰণ কৰি অসমে সহজে জয়লাভ কৰে। আজিৰ জয়ৰে অসমে ছয় পইণ্ট লাভ কৰি সামগ্ৰিকভাৱে আঠ পইণ্টৰে গ্ৰুপৰ সপ্তম স্থানত আছে অসম। চলিত চিজনত পৰৱৰ্তী ৰাউণ্ডলৈ যোৱাৰ ৰাস্তা অসমৰ বাবে বন্ধ বুলিয়ে ক'ব পাৰি।





# যমুনা এক্সপ্ৰেছৱেত জ্বলিল বাছ-কাৰ, থিতাতে নিহত ৫ জন লোক

**নতুন দিল্লী, ১২ ফেব্ৰুৱাৰীঃ** ভয়ংকৰ দুৰ্ঘটনাৰ পিছতে ঘাইপথৰ ওপৰত দাউদাউকৈ জ্বলি উঠিল এখন বাছ আৰু কাৰ। সোমবাৰে যমুনা এক্সপ্ৰেছৱেত সংঘটিত এই দুৰ্ঘটনাত গাড়ীৰ ভিতৰতে জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু ঘটে ৫ জনকৈ লোকৰ। মথুৰাৰ মহাৱন থানা এলেকাৰ ১১৭ নং মাইল ষ্টোনত সংঘটিত হয় এই দুৰ্ঘটনা। জ্যেষ্ঠ আৰক্ষী অধীক্ষক শৈলেশ পাণ্ডেয়ে জানিবলৈ দিয়া মতে, আগ্ৰাৰ পৰা নয়ডা অভিমুখে গৈ থকা এখন বাছে প্ৰথমে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দা মাৰে, আৰু তাৰ পিছতে পিছফালৰ পৰা আহি থকা এখন চাৰিচকীয়া বাহনৰ সৈতে বাছখনৰ সংঘৰ্ষ ঘটে। এই ভয়ংকৰ সংঘৰ্ষৰ পিছতে দুয়োখন বাহনত জুইৰ সূত্ৰপাত ঘটে। অগ্নিকাণ্ডৰ পিছত বাছখনত থকা যাত্ৰীসকলে কোনোমতে প্ৰাণ ৰক্ষা কৰি বাহিৰলৈ ওলাই আহিবলৈ সক্ষম হয় যদিও চাৰিচকীয়াখনত থকা ৫ যাত্ৰী গাড়ীৰ ভিতৰতে আৱদ্ধ হৈ জীৱন্তে জ্বলি ছাই হৈ পৰে। ইফালে দুৰ্ঘটনাৰ বহু পলমকৈ সেই স্থানত অগ্নি নিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপণ কৰে। প্ৰত্যক্ষদৰ্শীয়ে অভিযোগ কৰা মতে, দুৰ্ঘটনাৰ আধা ঘণ্টাতকৈও পলমকৈ ঘটনাস্থলীত উপস্থিত হৈছিল অগ্নি নিৰ্বাপক বাহিনীৰ দল। যদি ঘটনাৰ পিছতে উদ্ধাৰকাৰী দল উপস্থিত হ'লহেঁতেন তেন্তে গাড়ীখনত আৱদ্ধ সকলৰ প্ৰাণৰক্ষা কৰিবপৰা গ'লহেঁতেন বুলিও মন্তব্য কৰে স্থানীয় লোকে। উল্লেখ্য যে, যোৱা মাহত যমুনা এক্সপ্ৰেছৱেত দুখন বাছৰ সংঘৰ্ষত কমেও ৪০ জন লোক আহত হৈছিল।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান